**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 01-03-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দুপৰীয়া নতুন দিল্লীত কৃষি আৰু গ্ৰাম্য সমৃদ্ধি সন্দৰ্ভত আয়োজিত এখন দিনজোৰা বাজেটত্তোৰ ৱেবিনাৰত ভাৰ্চুৱেল ব্যৱস্থাৰে ভাষণ দিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জাহান-ই-খুছৰু চুফী সংগীত মহোৎসৱত অংশগ্ৰহণ কৰি চুফী পৰম্পৰাই ভাৰতত এটা সুকীয়া পৰিচয়ৰ সৃষ্টি কৰিছে বুলি মন্তব্য কৰে।

৩। ভাৰতীয় ৰিজাৰ্ভ বেংকে নীতি নিৰ্ধাৰণকাৰী নিয়মসমূহ উলংঘা কৰাৰ বাবে হংকং আৰু ছাংহাই বেংকিং কো-অপাৰেচন লিমিটেড এইচ এচ বি চিক ৬৬ লাখ ৬০ হাজাৰ টকা জৰিমনা বিহিছে।

৪। আকাশবাণীৰ সঞ্চালকপ্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়ে প্ৰতিটো কেন্দ্ৰৰে অনুষ্ঠানসমূহৰ সংশ্লিষ্ট বিষয়াসকলে তেওঁলোকৰ কাম-কাজৰ দায়িত্ব সম্পূৰ্ণৰূপে গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। **আৰু**

৫। আই চি চি চেম্পিয়নছ ট্ৰফীত অষ্ট্ৰেলিয়াই ছেমি ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দুপৰীয়া নতুন দিল্লীত কৃষি আৰু গ্ৰাম্য সমৃদ্ধি আয়োজিত এখন দিনজোৰা বাজেটত্তোৰ ৱেবিনাৰত ভাৰ্চুৱেল ব্যৱস্থাৰে ভাষণ দিব। এই অনুষ্ঠানত সকলো কেন্দ্ৰীয় মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। ২০২৫ বৰ্ষৰ বাজেটত ঘোষণা কৰা সিদ্ধান্তসমূহ ফলপ্ৰসূভাৱে ৰূপায়ণ কৰাৰ অৰ্থে অংশীদাৰসকলক জড়িত কৰাৰ লক্ষ্যৰে এই ৱেবিনাৰত আলোচনা কৰা হ'ব। কৃষি খণ্ডৰ বিকাশ আৰু গ্ৰাম্য সমৃদ্ধি সন্দৰ্ভত বাজেটত নিৰ্ধাৰণ কৰা এই লক্ষ্যত সহযোগিতাৰে উপনীত হোৱাতো নিশ্চিত কৰাৰ ক্ষেত্ৰত এই ৱেবিনাৰত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানো এই অনুষ্ঠানত উপস্থিত থাকে। এই ৱেবিনাৰৰ লক্ষ্য হৈছে সকলোৰে মতামত গ্ৰহণ কৰি আৰু আলোচনা-বিলোচনাৰ মাধ্যমেৰে নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ বাবে সময় মতে আৰু সমন্বয়ৰে কাৰ্যপন্থা গ্ৰহণ কৰা। ইয়াৰ লগতে এই ৱেবিনাৰৰ আন এটা লক্ষ্য হৈছে ব্যক্তিগত খণ্ডৰ বিশেষজ্ঞসকলকে ধৰি ঔদ্যোগিক প্ৰতিনিধি, বিষয়বস্তুৰ বিশেষজ্ঞ আদি মূল অংশীদাৰসকলক ২০২৫ বৰ্ষৰ বাজেত ৰূপায়ণ ক্ষেত্ৰত অন্তৰ্ভুক্ত কৰা।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীৰ সুন্দৰ নাৰ্চাৰীত অনুষ্ঠিত জাহান-ই-খুছৰৌ চুফী সংগীত মহোৎসৱত অংশগ্ৰহণ কৰি চুফী পৰম্পৰাই ভাৰতত এক সুকীয়া পৰিচয়ৰ সৃষ্টি কৰিছে বুলি মন্তব্য কৰে। তেওঁ লগতে কয় যে যিকোনো দেশৰ সংস্কৃতি আৰু সভ্যতা গীত-নৃত্যৰ জৰিয়তেহে সমৃদ্ধ হয়। তেওঁ জাহান-ই-খুছৰাউৰ শলাগ লৈ কয় যে এনেধৰণৰ অনুষ্ঠান দেশৰ

সংস্কৃতি আৰু শিল্পৰ বাবে গুৰুত্বপূৰ্ণ আৰু এই অনুষ্ঠানে মানুহৰ হৃদয়ত স্থান লাভ কৰিছে। একেটা অনুষ্ঠানতে প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশবাসীক ৰমজান মাহৰ শুভেচ্ছা জ্ঞাপন কৰে। এইবাৰ চুফী সংগীত মহোৎসৱে ২৫ বছৰ সম্পূৰ্ণ কৰিছে। উল্লেখযোগ্য যে ২০০১ চনত প্ৰখ্যাত চলচ্চিত্ৰ নিৰ্মাতা মুজাফ্ফাৰ আলীয়ে আৰম্ভ কৰা এই মহোৎসৱত চুফী সংস্কৃতি আৰু সংগীতক চিনাকী কৰাই দিয়াৰ প্ৰয়াস কৰা হয়।

০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰ আজি মহাৰাষ্ট্ৰৰ মুম্বাইত উপস্থিত হব। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কে.পি. হিন্দুজা বাণিজ্য মহাবিদ্যালয়ৰ বাৰ্ষিক দিৱসৰ কাৰ্যসুচীত অংশগ্ৰহণ কৰিব।

০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকে নীতি নিৰ্ধাৰণকাৰী নিয়মসমূহ উলংঘা কৰাৰ বাবে হংকং আৰু ছাংহাই বেংকিং কো-অপাৰেচন লিমিটেড এইচ এচ বি চিক ৬৬ লাখ ৬০ হাজাৰ টকা জৰিমনা বিহিছে। এইচ এচ বি চিয়ে গ্ৰাহকসকলৰ কে ৱাই চিৰ নীতি-নিয়ম, অসুৰক্ষিত বিদেশী মুদ্ৰা সম্পৰ্কে প্ৰতিবেদন দিয়াত বিফল হোৱা আৰু অযোগ্য ছেভিংছ একাউণ্টছ খোলাৰ দৰে কাম-কাজেৰে এই নিয়মসমূহ উলংঘা কৰিছিল। পৰ্যালোচনামূলক নিৰীক্ষণৰ অন্তত এইচ এচ বি চিয়ে অবৈধ ধনৰ লেনদেন সংক্ৰান্তত এলাৰ্ট ক্ল'জাৰ বাহিৰৰ পৰা প্ৰয়োগ কৰাৰ লগতে প্ৰতিবেদন প্ৰদান কৰাৰ ক্ষেত্ৰত থকা দায়িত্ব পালন কৰাত অসফল হোৱাৰ তথ্য ৰিজাৰ্ভে বেংকে লাভ কৰে। ৰিজাৰ্ভ বেংকে আই আই এফ এল সমস্ত ফাইনেন্স লিমিটেডকো কে ৱাই চিৰ মান আৰু ঋণ শ্ৰেণীকৰণৰ ক্ষেত্ৰত থকা নীতি-নিয়মসমূহ পালন নকৰাৰ বাবে ৩৩ লাখ ১০ হাজাৰ টকা জৰিমনা বিহিছে। দুয়োটা গোচৰ সন্দৰ্ভত ভাৰতীয় ৰিজাৰ্ভ বেংকে কয়, যে এই জৰিমনা নীতি-নিৰ্ধাৰণকাৰী নিয়মসমূহ পালন নকৰাৰ বাবেহে বিহা হৈছে আৰু ই বেংক দুটাৰ গ্ৰাহকসকলৰ কোনো কাৰ্যত প্ৰভাৱ নেপেলায়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি অনুষ্ঠিত হ'বলগীয়া এনএক্সটি সমাৰোহত অংশগ্ৰহণ কৰিব। এই সমাৰোহতে নিউজএক্স ৱৰ্ল্ড নামৰ এটা চেনেল মুকলি কৰা হ'ব। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে প্ৰধানমন্ত্ৰীয়ে এই সমাৰোহত বিভিন্ন শ্ৰেণীৰ লোকক একত্ৰিত কৰাৰ বাবে আইটিভি নেটৱৰ্ক এণ্ড ফাউণ্ডেশ্যনক প্ৰশংসা কৰে। তেওঁ এই সমাৰোহ সফল হব বুলিও আশা প্ৰকাশ কৰে।

০০০০০

আকাশবাণীৰ সঞ্চালকপ্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়ে প্ৰতিটো কেন্দ্ৰৰে অনুষ্ঠানসমূহৰ সংশ্লিষ্ট বিষয়াসকলে তেওঁলোকৰ কাম-কাজৰ দায়িত্ব সম্পূৰ্ণৰূপে গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সঞ্চালকপ্ৰধানগৰাকীয়ে দুদিনীয়া কাৰ্যসূচীৰে উত্তৰ-পূব মণ্ডলৰ কোহিমাত আয়োজিত আকাশবাণী কেন্দ্ৰসমূহৰ এখন অনুষ্ঠান আৰু বাণিজ্যিক বৈঠকৰ অন্তিম দিনৰ কাৰ্যসূচীত ভাষণ দি এইদৰে কয়। ড০ গৌড়ে তেওঁৰ ভাষণত এই ৰাজহুৱা প্ৰচাৰ ব্যৱস্থাৰ অনন্যতাৰ বিষয়ে আলোকপাত কৰি এই ব্যৱস্থাই সৃষ্টিশীলতাৰ

ওপৰত বিশেষ গুৰুত্ব দিয়াৰ লগতে আকাশবাণীৰ অনুষ্ঠানসমূহৰ প্ৰচাৰ এলেকাৰ পৰিধি বৃদ্ধি কৰাৰ ক্ষেত্ৰত থকা বিশাল সম্ভাৱনাৰ বিষয়ে জোৰ দি কয়।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লডিমিৰ জেলেন্‌স্কীৰ মাজত হোৱা বাক-বিতণ্ডাৰ অন্তত উভয় ৰাষ্ট্ৰই দুৰ্লভ খনিজাত সামগ্ৰী সংক্ৰান্তিয় এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ বাবে ৱাআমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেন্‌স্কীৰ মাজত হোৱা বাক-বিতণ্ডাৰ অন্তত উভয় ৰাষ্ট্ৰই দুৰ্লভ খনিজাত সামগ্ৰী সংক্ৰান্তিয় এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ বাবে ৱাশ্বিংটনত উভয় ৰাষ্ট্ৰৰ মাজত অনুষ্ঠিত আলোচনা বিফল হয়। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেন্‌স্কীয়ে কয়, যে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে যুদ্ধ সংক্ৰান্তত কোনো সমাধানৰ বাবে আলোচনা কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব বুলি তেওঁ ৰাষ্ট্ৰপতি ট্ৰাম্পক আগতীয়াকৈ জনাইছিল। ৰাষ্ট্ৰপতি ট্ৰাম্পে সংবাদ মাধ্যমৰ আগত জেলেন্‌স্কীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতিক ঘৃণা কৰে আৰু ইয়াৰ বাবে যুদ্ধৰ ক্ষেত্ৰত বুজাবুজিৰ ক্ষেত্ৰত বাধা আহিছে বুলি কৰা মন্তব্যৰ পাছত দুয়োগৰাকী ৰাষ্ট্ৰপতিৰ মাজত সংঘাতে দেখা দিয়ে। এই বৈঠকৰ অন্তত দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়, যে জেলেন্‌স্কী যেতিয়াই শান্তি ৰক্ষাৰ বাবে সাজু হৈ তেতিয়াই হোৱাইট হাউচলৈ উভতি আহিব পাৰিব। ট্ৰাম্পে জেলেন্‌স্কীক তেওঁৰ কাম-কাজসমূহে তৃতীয় বিশ্বযুদ্ধৰ সৃষ্টি কৰিব পাৰে বুলি সকীয়নি দিয়ে। পাছত জেলেন্‌স্কীয়ে দিয়া আন এটা বাৰ্তাত ইউক্ৰেইনক সমৰ্থন দিয়াৰ বাবে আমেৰিকাৰ জনসাধাৰণ আৰু কংগ্ৰেছক ধন্যবাদ জনায়। তেওঁ কয়, যে ইউক্ৰেইনৰ ন্যায় সংগত আৰু স্থায়ী শান্তিৰ প্ৰয়োজন আৰু তেওঁ এই দিশতে কাম কৰি আছে।

ooooo

দেশত বিগত দুবছৰত কয়লাৰ সৰবৰাহ দুগুণলৈ বৃদ্ধি পাইছে। কয়লা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ২০২২ চনত দেশত ৰে'লপথ আৰু সাগৰীয় পথেৰে সৰবৰাহ হোৱা ২৮ নিযুত মেট্ৰিক টনৰ পৰা ২০২৪ চনত কয়লাৰ পৰিমাণ ৫৪ নিযুত মেট্ৰিক টনলৈ বৃদ্ধি পায়। কেৱল ৰে'লপথেৰে কয়লা সৰবৰাহৰ তুলনাত সাগৰীয় পথেৰে পৰিবহন কৰা কয়লাৰ পৰিমাণ যথেষ্ট বৃদ্ধি পায়। মন্ত্ৰালয়ৰ সূত্ৰই জনোৱা মতে বৰ্তমান দেশৰ কয়লা খনিসমূহৰ পৰা উৎপাদিত কয়লা বিভিন্ন শক্তি উৎপাদন কেন্দ্ৰলৈ প্ৰথমে ৰে'ল, পাছত জাহাজ আৰু পুনৰ ৰে'লপথেৰে পৰিবহন কৰা হয়। এইদৰে কয়লা পৰিবহনৰ ক্ষেত্ৰত বিভিন্ন পৰিবহন ব্যৱস্থাৰ সহায় লোৱাৰ ফলত দেশত কয়লা ইন্ধনৰ কাৰ্যকৰী ব্যৱহাৰ সুনিশ্চিত হৈছে বুলি সূত্ৰটোৱে লগতে প্ৰকাশ কৰে।

ooooo

আই চি চি চেম্পিয়নছ ট্ৰফীত আফগানিস্তানৰ বিৰুদ্ধে পাকিস্তানৰ লাহোৰত হোৱা গ্ৰুপ বিৰ এখন খেলত অষ্ট্ৰেলিয়াই ছেমি ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিছে। বৰষুণ অহাৰ পূৰ্বে অষ্ট্ৰেলিয়াই ১২অভাৰ আৰু ৫টা বলত এটা উইকেটৰ বিনিময়ত ১০৯ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছিল। আফগানিস্তানে অস্ট্ৰেলিয়াক ২৭৪ৰানৰ বিজয় লক্ষ্য বান্ধি দিছিল। কিন্তু বৰষুণৰ বাবে খেলখন আধাতে সমাপ্ত কৰিবলগীয়া হয়। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰি আফগানিস্তানে ৫০ অভাৰত ২৭৩ ৰান সংগ্ৰহ কৰে। ছেদিকুল্লাহ অটলে ৯৫টা বলত ৮৫ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে আজমাতুল্লাহ ওমৰজাই ৬৩টা বলত ৬৭ ৰান সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াৰ হৈ বেন দ্বাৰশুইছে তিনিটা

উইকেট দখল কৰে। আজি সন্ধিয়া কৰাচীৰ ৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ’বলগীয়া গ্ৰুপ বিৰ অন্তিমখন খেলত দক্ষিণ আফ্ৰিকাই ইংলেণ্ডৰ বিৰুদ্ধে খেলিব।

০০০০০

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত খেলত ডেলহী কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক ৯ উইকেটত পৰাস্ত কৰে। বেংগালুৰুৰ এন চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ডেলহী কেপিটেলছে ১২৪ ৰাণৰ বিজয় লক্ষ্যৰে খেলি হাতত ৯টা উইকেট আৰু ৩৩টা বল বাকী থকা অৱস্থাত বিজয় সাব্যস্ত কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১২৩ ৰাণ সংগ্ৰহ কৰে। ডেলহী কেপিটেলছৰ অধিনায়ক মেগ লেনিঙে ৪৯টা বলত অপৰাজিত ৬০ ৰাণৰ বৰঙণি আগবঢ়ায়। দলটোৰ শেফালী বাৰ্মাই ৪৩ ৰাণ কৰে। মিন্নু মানী আৰু জেছ্ জ’নাশ্বেনে ডেলহী কেপিটেলছৰ হৈ তিনিটাকৈ উইকেট দখল কৰে। জেছ্ জ’নাশ্বেনক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। এই জয়ৰ সুবাদত ডেলহী কেপিটেলছে মহিলা প্ৰিমিয়াৰ লীগৰ তালিকাৰ শীৰ্ষস্থান দখল কৰিবলৈ সমৰ্থ হয়।

আজি বেংগালুৰুৰ একেটা স্থানতে সন্ধিয়া চাৰে ৭ বজাত ডেলহী কেপিটেলছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০

সমাপ্ত